# অসমীয়া (Assamese)

২২৮ (228)

**নির্ধাৰিত পত্ৰ** (Assignment)

**(১ নং পাঠৰ পৰা ৩৫ নং পাঠলৈ)**

**মুঠ নম্বৰ ২০**

---

নির্দেশাৱলী ঃ

১। **প্ৰতিটো প্ৰশ্ন বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ নম্বৰ কাষত দিয়া আছে।**

২। **উত্তৰ বহীত নিজৰ নাম, ৰোল নম্বৰ, অধ্যয়ন কেন্দ্ৰৰ নাম, বিষয় স্পষ্টকৈ লিখিবা।**

১। তলত দিয়া যিকোনো ১ টা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা। ২×১=২

(৪০ ৰ পৰা ৬০ টা শব্দৰ ভিতৰত)

(ক) কবিয়ে 'জনমভূমিক' কিয় ইমান ভাল পাই 'জনমভূমি' কবিতাটিৰ সহায়ত বুজাই লিখা।

(খ) 'জীৱন জেউতি' কবিতাটিৰ 'দিনটো' জীৱনবৃত্ত বুলি কিয় বৰ্ণনা কৰিছে কবিতাৰ আলমত প্ৰকাশ কৰা।

(গ) কবিয়ে নিজৰ দেশৰ বাবে জীয়াই থাকিব বিচাৰিছে 'মোৰদেশ'— কবিতাৰ সহায়ত বুজাই লিখা।

(ঘ) বিদেশীৰ চকু থিৰ হোৱাৰ কাৰণ কি বুলি 'গড়গাঁও' কবিতাটিত কবিয়ে প্ৰকাশ কৰিছে বিচাৰ কৰা।

২। **নিম্নলিখিত যিকোনো এটি প্ৰশ্নৰ উত্তৰ চমুৱাই লিখা।** ২×১=২

(৪০ ৰ পৰা ৬০ টা শব্দৰ ভিতৰত)

(ক) 'আমি ভ্ৰমণ কাহিনী কিয় পঢ়িব লাগে'? 'নিউয়ৰ্ক' পাঠৰ সহায়ত প্ৰকাশ কৰা।

(খ) মানৱ জাতিৰ প্ৰকৃতিৰ লগত কেনে সম্পৰ্ক— 'পৰিবেশ প্ৰদূষণ আৰু প্ৰতিক্ৰিয়া' নামৰ পাঠৰ আলমত বিচাৰ কৰা।

(গ) পত্ৰ লিখকৰ চিঠি লিখাৰ মূল উদ্দেশ্য কি? 'সম্পাদকলৈ চিঠি' নামৰ পাঠৰ আধাৰত বৰ্ণনা কৰা।

(ঘ) কম্পিউটাৰৰ সহায়ত কি কি কাম কৰিব পাৰি? 'কম্পিউটাৰ' পাঠৰ সহায়ত প্ৰকাশ কৰা।

৩। **তলত উল্লেখ কৰা যিকোনো এটি প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা।** ২×১=২

(৪০ ৰ পৰা ৬০ টা শব্দৰ ভিতৰত)

(ক) কি ঘটনাই এগ্‌নিছক (মাদাৰ টেৰেছাক) মানৱ সেৱাৰ প্ৰতি অনুৰাগী কৰি তোলে? পাঠৰ সহায়ত বুজাই লিখা।

(খ) আইন অমান্য আন্দোলনৰ বিষয়ে 'ভাৰতৰ মুক্তি যুঁজত অসমৰ অৱদান' পাঠৰ আলমত প্ৰকাশ কৰা।

(গ) মানবীয় মূল্যবোধ বুলিলে কি বুজা? 'বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ' পাঠৰ সহায়ত বিচাৰ কৰা।

(ঘ) মৌলিক অধিকাৰ বুলিলে কি বুজা? 'মানৱ অধিকাৰ' পাঠৰ আলমত প্ৰকাশ কৰা।

৪। **তলৰ যিকোনো ১ টা প্ৰশ্নৰ উত্তৰ বহলাই লিখা।** ৪×১=৪

(১০০ ৰ পৰা ১৫০ টা শব্দৰ ভিতৰত)

(ক) মৃত্যুৰ পিছত কবিয়ে ক'ত, কিয় জন্ম গ্ৰহণ কৰিব খুজিছে— 'জনমভূমি' কবিতাৰ সহায়ত নিজৰ ভাষাত লিখা।

(খ) 'তই মানুহৰ মনৰ ভাৰ কি বুজিবি'— 'কেতেকী' কথা কবিতাটিৰ আধাৰত ইয়াৰ ভাবাৰ্থ প্ৰকাশ কৰা।

(গ) 'কাকুতি' বৰগীতটিৰ মূল কথাখিনি নিজৰ ভাষাত লিখা।

(ঘ) 'সকলো সময়তে এক আহ্বান কবিয়ে শুনি আছে'— 'মোৰ দেশ' কবিতাৰ সহায়ত সেই আহ্বানৰ এটি আভাস দিয়া।

৫। **তলত দিয়া যিকোনো এটি প্ৰশ্নৰ উত্তৰ বহলাই লিখা।** ৪×১=৪

(১০০ ৰ পৰা ১৫০ টা শব্দৰ ভিতৰত)

(ক) অকালতে ঘুনুচাৰ জীৱনলৈ বাৰ্ধক্য কেনেকৈ নামি আহিছিল— ‘ঘুনুচা’ নামৰ পাঠৰ আধাৰত বৰ্ণনা কৰা।

(খ) ‘সময় অমূল্য ধন বোলা কথাষাৰ সঁচা’। সময় নামৰ প্ৰবন্ধৰ সহায়ত আভাস দিয়া।

(গ) ‘চ’তৰ বিহুত নাচোন এপাক মাৰিবলৈ বৰবৰুৱাই কিয় সাহ কৰা নাই’— পাঠৰ আলমত বুজাই লিখা।

(ঘ) মানুহৰ মনৰ মাজত শুই থকা আদি ভাবটো কি? ‘প্ৰতিশোধ’ গল্পটিৰ আধাৰত নিজৰ ভাষাত লিখা।

৬। **তলত উল্লেখ কৰা যিকোনো এটি বিষয়ৰ সম্পৰ্কত এখনি আঁচনি** (Project) **যুগুত কৰা।** ৬×১=৬

**(ক) খেল ধেমালি**

(স্তৰ বিন্যাস— সূচনা— জীৱনৰ লগত সম্পৰ্ক আৰু প্ৰয়োজনীয়তা— শাৰীৰিক আৰু মানসিক গঠনত খেলৰ প্ৰভাৱ— তোমাৰ অঞ্চলত খেল-ধেমালিৰ আঁচনি প্ৰয়োগৰ সুবিধা-অসুবিধা আদি তথ্য সংগ্ৰহৰে এখনি আঁচনি (Project) প্ৰস্তুত কৰা)।

**(খ) বৃদ্ধাশ্ৰম**

(স্তৰ বিন্যাস— সূচনা— তোমাৰ অঞ্চলত থকা বৃদ্ধাশ্ৰমৰ তালিকা সংগ্ৰহ— বৃদ্ধাৰ সংখ্যা সংগ্ৰহ, চৰকাৰীভাৱে আৰ্থিক অনুদান— পৰিচালনাৰ সুবিধা-অসুবিধা— আদি তথ্য সংগ্ৰহৰে এখনি আঁচনি (Project) যুগুত কৰা।

**(গ) বাতৰি কাকত**

(স্তৰ বিন্যাস— আৰম্ভ— মানৰ জীৱনত ইয়াৰ প্ৰভাৱ— তোমাৰ বিদ্যালয়ত বাতৰি কাকতৰ প্ৰচলন— ছাত্ৰ-ছাত্ৰীৰ বাতৰি কাকত অধ্যয়নৰ প্ৰতি ইচ্ছা-অনিচ্ছা— জ্ঞান লাভত বাতৰি কাকতৰ গুৰুত্ব— সমাজ গঠনত বাতৰিৰ ভূমিকা— আদি বিষয়ৰ তথ্য সংগ্ৰহৰে এখনি আঁচনি (Project) যুগুত কৰা।

**(ঘ) প্ৰিয় সাহিত্যিক**

(স্তৰ বিন্যাস— সূচনা— প্ৰিয় সাহিত্যিকগৰাকীৰ পৰিচয়— কৰ্ম আৰু সাহিত্যৰ আভাষা— প্ৰিয় হোৱাৰ কাৰণ— ভাষা-সাহিত্য-সমাজ গঠনত সাহিত্যিক গৰাকীৰ অৱদান— প্ৰভাৱ আদি বিষয়ে তথ্য সংগ্ৰহৰে এখনি আঁচনি (Project) যুগুত কৰা।